# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 30-07-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত বন বিভাগ আৰু প্ৰশাসনে আজি দ্বিতীয় দিনাও উচ্ছেদ অভিযান চলায়। আজিৰ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয় বুলি গোলাঘাটৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

আজি অঞ্চলটোৰ এক নম্বৰ আৰু ২ নম্বৰ পিঠাঘাটৰ ২০০ টা বাসগৃহ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱৰ নেতৃত্বত সম্পন্ন হোৱা এই অভিযানত জিলা আয়ুক্ত, গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্চেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰিছে।

০০০০

মণিপুৰত ১৩ আগষ্টৰ পৰা প্ৰযোজ্য হোৱাকৈ ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন পুনৰ বৃদ্ধিৰ প্ৰস্তাৱত লোকসভাই অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে যোৱা ১৩ ফেব্ৰুৱাৰীত মণিপুৰত বলবৎ কৰা ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ বৃদ্ধিৰ প্ৰতি সদনৰ অনুমোদন বিচাৰি আজি এই প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটো সন্দৰ্ভত হোৱা আলোচনাত ভাগ লৈ কংগ্ৰেছৰ এণ্ট এণ্টনীয়ে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ বিষয়টো উত্থাপন কৰে আৰু ৰাজ্যখনত শাসন ব্যৱস্থা সম্পূৰ্ণৰূপে  ধ্বংস হোৱা বুলি অভিযোগ তোলে। সমাজবাদী পাৰ্টীৰ লালজী বাৰ্মাই ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ পাছতো ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘুৰাই অনাত কেন্দ্ৰীয় চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰে।

০০০০

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সফল ৰূপায়ণৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে জিলা আয়ুক্ত আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে মত বিনিময় কৰে। ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচী অহা ৬ আগষ্টত মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ

কৰিব। ৭ ৰ পৰা ৯ আগষ্টলৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰ এহেজাৰ ৮৪৬ খন শিক্ষা প্ৰতিষ্ঠানৰ ৪ লাখ ১৬ হাজাৰ ২৩৯ গৰাকী ছাত্ৰীক এই আঁচনিৰ অধীনত সামৰি লোৱা হ'ব। বিগত বৰ্ষত এই আঁচনিৰ জৰিয়তে এক লাখ ৬১ হাজাৰ ৩০২ গৰাকী ছাত্ৰী উপকৃত হৈছিল।

০০০০

অভিনেত্ৰী নন্দিনী কাশ্যপক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ লগতে আদালতে শ্ৰীমতী কাশ্যপৰ জামিন আবেদন নাকচ কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, গুৱাহাটীৰ ওদালবাক্ৰাত যোৱা ২৫ জুলাইত সংঘটিত পথ দুৰ্ঘটনাত আহত ছামিউল হক নামৰ ছাত্ৰজনৰ কালি মৃত্যু হোৱা ঘটনা সন্দৰ্ভত অভিনেত্ৰী নন্দিনী কাশ্যপক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। তেওঁক আজি বিয়লি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। অসম আৰক্ষীয়ে তেওঁক ৫ দিনৰ জিম্মাত বিচাৰিছিল। ইয়াৰ বিপৰীতে অভিযুক্ত শ্ৰীমতী কাশ্যপেও জামিন বিচাৰি আবেদন কৰিছিল। পাছত বাদি-বিবাদি দুয়োপক্ষৰ অধিবক্তাৰ যুক্তি শুনি আদালতে অভিযুক্তগৰাকীৰ জামিন আবেদন নাকচ কৰাৰ লগতে তেওঁক ২ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে।

০০০০

অসম বিশ্ববিদ্যালয়ত স্নাতক, স্নাতকোত্তৰ আৰু সংহত পাঠ্যক্ৰমৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰিছে। আজি পুৱাৰে পৰা বিশ্ববিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰত ছাত্ৰ সংগঠন, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বিশ্ববিদ্যালয়ৰ শাখাৰ লগতে বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। আন্দোলনৰত ছাত্ৰ-ছাত্ৰীসকলে কয়, যে বিভিন্ন পাঠ্যক্ৰমত কৰ্তৃপক্ষই এইবছৰ ৫০ শতাংশ মাচুল বৃদ্ধি কৰিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হৈছে।

০০০০

মৰিগাওঁ জিলা আয়ুক্ত অনামিকা তিৱাৰীৰ সভাপতিত্বত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত নাৰ্কো সহযোগিতা কেন্দ্ৰৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় আধাতে এৰা কিশোৰ-কিশোৰীৰ মাজত মাদক দ্ৰব্য ব্যৱহাৰৰ সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। তেওঁ বিদ্যালয়সমূহৰ পৰিদৰ্শকক সকলো বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ সৈতে আলোচনা কৰি বিদ্যালয়ৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ধপাতমুক্ত এলেকা হিচাপে নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে নিচামুক্ত ভাৰত অভিযানৰ প্ৰসংগ উল্লেখ কৰি গ্ৰামাঞ্চলত মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে কৃষকৰ যিকোনো সমস্যা সমাধানত সহায় হোৱাকৈ **শস্য ৰক্ষক** নামৰ এটা মোবাইল এপ বিকশাই তুলিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালকৰ এখন সভাত এই বিষয়ে প্ৰকাশ কৰা হয়। সভাত বিশ্ববিদ্যালয়খনে শেহতীয়াকৈ খৰাং প্ৰতিৰোধী ধানৰ সঁচ উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছে বুলিও গৱেষকসকলে জানিবলৈ দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ